# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 28-06-2024

**Time :** 0900 Hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। সৰ্বশিক্ষা অভিযানৰ অধীনৰ শিক্ষকক সকাহ দিয়াৰ লক্ষ্যৰে ৩৫ হাজাৰ নতুন শিক্ষকৰ পদ সৃষ্টি কৰি ৰাজ্য চৰকাৰৰ বিশেষ নিযুক্তিৰ ব্যৱস্থা।

২। মন্ত্ৰীসভাৰ বৈঠকত পৰিবহণ আৰু যান-বাহন সম্পৰ্কীয় কেতবোৰ সিদ্ধান্ত গ্ৰহণ।

৩। ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকৰ সিদ্ধান্ত কাৰ্যকৰীকৰণৰ অৰ্থে মন্ত্ৰী অজন্তা নেওগ আৰু অশোক সিংহলৰ গুৰুত্বপূৰ্ণ বৈঠক।

৪। ৰাজ্যৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত। ১৯ খন জিলাত বতৰ বিজ্ঞান বিভাগৰ য়েল্ল' এলাৰ্ট জাৰি।

*আৰু*

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতৰ প্ৰৱেশ।

০০০০০০০

অসম চৰকাৰে সৰ্বশিক্ষা অভিযানৰ অধীনৰ শিক্ষকসকলক সকাহ দিয়াৰ লক্ষ্যৰে ৩৫ হাজাৰ নতুন শিক্ষকৰ পদ সৃষ্টি কৰি বিশেষ নিযুক্তিৰ ব্যৱস্থা কৰিছে। এই পদসমূহৰ বাবে কেৱল সৰ্বশিক্ষা অভিযানৰ অধীনৰ শিক্ষকসকলেহে আবেদন কৰিব পাৰিব। নলবাৰীত কালি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এই সিদ্ধান্তৰ ফলত পূৰ্বৰ অনিয়মীয়া পদসমূহ বিলুপ্ত হোৱাৰ লগতে নতুন পদত নিযুক্তি লাভ কৰাসকলে চৰকাৰী নিৰিখ অনুসৰি দৰমহা আৰু বাৰ্ষিক দৰমহাৰ বৃদ্ধি লাভ কৰিব। উচ্চতম ন্যায়ালয়ৰ উমা দেৱী গোচৰৰ পৰিপ্ৰেক্ষিতত অসম মন্ত্ৰীসভাৰ, চাকৰি নিয়মীয়া কৰাৰ ক্ষমতা নথকা হেতুকে ৰাজ্য চৰকাৰে কেবিনেটত এই সিদ্ধান্ত লৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। আনহতে, মন্ত্ৰীসভাই পৰিবহণ আৰু যান-বাহন সম্পৰ্কীয় দুটা সিদ্ধান্ত গ্ৰহণ কৰিছে। জৰিমনা আদায় দিয়াৰ নামত আৰ্থিকভাৱে অনগ্ৰসৰ লোকসকল সমস্যাৰ সন্মুখীন হোৱা বুলি সততে উত্থাপিত হৈ অহা অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। এই অনুসৰি মটৰ চাইকেলৰ আৰোহীক কেৱল হেলমেট পৰিধান নকৰিলেহে জৰিমনা বিহা হ'ব। যান-বাহন আৰক্ষীয়ে দুচকীয়া বাহনৰ চালকক অন্য নথিপত্ৰজনিত বিষয়ত জৰিমনা বিহিব নোৱাৰিব। ইপিনে, অটো, ৰিক্সাকে ধৰি তিনিচকীয়া বাহনৰ গৰাকীয়ে বাহন চালনা বা পাৰ্কিঙৰ ক্ষেত্ৰত কৰা অপৰাধ ৪ বাৰলৈ ৰেহাই দিয়া হ'ব। পঞ্চম বাৰ কৰা ভুলৰ ক্ষেত্ৰতহে জৰিমনা বিহা হ'ব। এই ক্ষেত্ৰত পৰিবহণ বিভাগক ১৫ দিনৰ ভিতৰত নীতি-নিৰ্দেশনা জাৰি কৰিবলৈ কোৱা হৈছে। আনহাতে, নলবাৰীৰ ৩৪৭গৰাকী অ'বিবি শিক্ষকক মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ অধীনত অহা ৩০ ছেপ্তেম্বৰত ২ লাখকৈ টকাৰ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। জিলাখনৰ ৪খন ধৰ্মীয় অনুষ্ঠান বিল্বেশ্বৰ দেৱালয়, বালিলেছা মন্দিৰ, বাঘেশ্বৰী মন্দিৰ আৰু হৰি মন্দিৰক পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৩ কোটিকৈ টকা প্ৰদান কৰিবলৈ কেবিনেটত সিদ্ধান্ত  লয়। নলবাৰীত এটা নতুন আৰ্ৰত্ত ভৱন

আৰু সন্মিলন কক্ষ মুকলি কৰাৰ লগতে মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তনৰ বাবে কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে।

ইপিনে, বৰক্ষেত্ৰীৰ এম এছ ডি পি বিদ্যালয়ৰ সলনি এখন স্নাতক মহাবিদ্যালয় স্থাপনৰ বাবেও কেবিনেটে সিদ্ধান্ত লৈছে। জিলাখনৰ মৰা পাগলাদিয়া আৰু বুঢ়াদিয়া নৈত ১৯ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণৰ বাবে কেবিনেটে অনুমোদন জনাইছে। নলবাৰী চিকিৎসা মহাবিদ্যালয়লৈ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা উৰণ সেঁতু, এখন অত্যাধুনিক ষ্টেডিয়াম আৰু ধমধমাত এটা দক্ষতা কেন্দ্ৰ মুকলি কৰাৰ বাবে কেবিনেটে অনুমোদন জনায়।

০০০০০

ৰাজ্য চৰকাৰে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ বিদ্যায়তনিক পৰিৱেশ উন্নত কৰাৰ বাবে ৫০০খন বিদ্যালয়ৰ আন্তঃগাঁথনি নতুনকৈ নিৰ্মাণ কৰাৰ পদক্ষেপ লৈছে। এই পদক্ষেপৰ অংশ হিচাপে চাংসাৰি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু চাংসাৰি বালিকা বিদ্যালয়ত নিৰ্মাণ কাৰ্য দ্ৰুত গতিত অব্যাহত আছে। মুখ্যমন্ত্ৰীয়ে কালি দুয়োখন বিদ্যালয় পৰিদৰ্শন কৰি আন্তঃগাঁথনিৰ বুজ লোৱাৰ লগতে যাৱতীয় পৰামৰ্শ দিয়ে। উল্লেখযোগ্য যে এই ৫০০খন বিদ্যালয় সৰ্বাংগসুন্দৰ ৰূপত গঢ়ি তোলাৰ বাবে ৪ হাজাৰ কোটিৰো অধিক টকা ব্যয় কৰিবলৈ ৰাজ্য চৰকাৰে লক্ষ্য লৈছে।

০০০০

যোৱা ১৯ জুনত অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকৰ সিদ্ধান্ত কাৰ্যকৰীকৰণৰ অৰ্থে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল আৰু বিত্ত মন্ত্ৰী অজন্তা নেওগে কালি বঙাইগাঁৱৰ অসম আৰক্ষী অভিৰৰ্তন কেন্দ্ৰত এখন বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত সামগ্ৰী আৰু সেৱা কৰ বিষয়ত নামনি অসমৰ ছখন জিলাৰ বাণিজ্য আৰু ব্যৱসায়িক সংস্থাসমূহৰ সৈতে আলোচনা কৰে। ৰাজ্যৰ কেইবাটাও স্থানত অনুষ্ঠিত হ'বলগীয়া আঞ্চলিক পৰামৰ্শমূলক আলোচনাৰ এয়া আছিল দ্বিতীয়খন বৈঠক। অনুষ্ঠানত জি এছ টিৰ অধীনত প্ৰদান কৰা জাননী সন্দৰ্ভত ব্যৱসায়ীসকলৰ প্ৰশ্নৰ উত্তৰ জানিবলৈ দিয়ে। বক্তব্যত মন্ত্ৰী সিংহলে কয় যে, দেশৰ ব্যৱসায়ীসমাজৰ লাভালাভৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জি এছ টি প্ৰৱৰ্তন কৰা হৈছিল। অসমক দেশৰ শীৰ্ষ ৫খন ৰাজ্যৰ এখন হিচাপে গঢ় দিবলৈ হ'লে ব্যৱসায়িসকলক লগত লৈ আগবঢ়িবই লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ তৎপৰতাত তৃণমূল স্তৰলৈ গৈ ব্যৱসায় বাণিজ্য সংস্থাসমূহৰ সৈতে কেবিনেট পৰ্যায়ৰ আলোচনাৰ পদক্ষেপ গ্ৰহণ কৰা অসমেই হৈছে দেশৰ প্ৰথমখন ৰাজ্য। উল্লেখযোগ্য যে, জি এছ টিৰ অধীনত প্ৰদান কৰা জাননী সন্দৰ্ভত ব্যৱসায়ীসকলৰ আশংকা দূৰ কৰিবলৈ তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, তেজপুৰ আৰু শিলচৰত পৰৱৰ্তী আলোচনা অনুষ্ঠিত কৰি এমাহৰ ভিতৰত মন্ত্ৰীদ্বয়ে প্ৰতিবেদন দাখিল কৰিব।

০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত উপস্থিত হৈ সত্ৰখনৰ মেৰামতিৰ কামৰ আৰম্ভণি কৰে। সত্ৰখনৰ মূল গৃহৰ পুৰণি টিনপাতকে ধৰি অন্যান্য বিভিন্ন দিশত মেৰামতিৰ প্ৰয়োজন হোৱাৰ বিষয়ে সত্ৰ পৰিচালনা সমিতিয়ে যোৱা দৌল উৎসৱৰ সময়ত মুখ্যমন্ত্ৰীক অৱগত কৰিছিল। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীয়ে এই কামৰ বাবে এক কোটি টকাৰ আৱণ্টন দিয়ে। আৱণ্টিত ধনেৰে কালিৰে পৰা টিনপাত সলনি কৰাৰ কাম কৰা হৈছে। নলবাৰীত অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছত বৰপেটাত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে সত্ৰ পৰিচালনা সমিতিৰ সৈতে বৈঠকত মিলিত হয়। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৬২ চনৰ পাছত প্ৰথমবাৰৰ বাবে বৰপেটা সত্ৰৰ টিনপাত সলনি কৰাৰ কাম আৰম্ভ কৰিবলৈ পাই তেওঁ সুখী অনুভৱ কৰিছে। তেওঁ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সৰ্বাধিক সময় অতিবাহিত কৰা পাটবাউসীৰ শংকৰদেৱ থানক কেন্দ্ৰ কৰি প্ৰস্তাৱ কৰা প্ৰকল্পৰ কাম অহা আগষ্টৰ শেষত নাইবা ছেপ্তেম্বৰৰ প্ৰথমতে আৰম্ভ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ চিকিৎসালয়খনৰ কামকাজৰ বুজ লয়। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চৌহদত নিৰ্মাণ কৰা ১০০ খন বিচনাযুক্ত মহিলা আৰু শিশু চিকিৎসালয়খন আগষ্টত মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। চিকিৎসা মহাবিদ্যালয়খনৰ বাবে যিধৰণৰ পুঁজি চৰকাৰে লাভ কৰিব, সেইমতে উন্নয়নমূলক কামো আগবঢ়াই নিয়া হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰপেটাত এখন বি এছ চি নাৰ্ছিং মহাবিদ্যালয় স্থাপন কৰা হ'ব বুলিও প্ৰকাশ কৰে। প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে জনাই যে চিকিৎসা মহাবিদ্যালয়খনত এটা অত্যাধুনিক চিটিস্কেন মেচিন সংস্থাপনৰ কামো চলি আছে। চিকিৎসাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সকলো চিকিৎসালয়তে সাপৰ বিষনাশক বেজি উপলব্ধ হৈ আছে যদিও একাংশ চিকিৎসকে প্ৰতিক্ৰিয়া হোৱাৰ ভয়ত এই বেজি দিব নিবিচাৰে ইতিমধ্যে ১০০ গৰাকী চিকিৎসকক এই বেজি দিয়াৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

oooooo

ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ সুস্থিৰ হৈছে যদিও এতিয়াও ৭ খন জিলাৰ ৪১৯খন গাঁৱৰ বিভিন্ন অঞ্চল এতিয়াও বানৰ কবলত আছে। এইবাৰৰ বানত ১ লাখৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা ১২৩ টা আশ্ৰয় শিবিৰত প্ৰায় ১৬ হাজাৰ লোকে আশ্ৰয় লৈ আছে। ইপিনে, বৰাক উপত্যকাত কুশিয়াৰা নৈ'ৰ পানী বিপদ সীমাৰ ওপৰত আছে। বানৰ বাবে এতিয়াও কৰিমগঞ্জ জিলাৰ বহুলোক গৃহবন্দী হৈ থাকিবলগীয়া হৈছে। জিলাখনৰ তিনি শতাধিক বিদ্যালয়ৰ পাঠদান বানৰ বাবে ব্যাহত হৈ আছে। কামৰূপ, কৰিমগঞ্জ, কাছাৰ, দৰং, বৰপেটা, লখিমপুৰ আৰু ধেমাজি জিলাৰ ১৫টা ৰাজহচক্ৰৰ অন্তৰ্গত অঞ্চল বানত ক্ষতিগ্ৰস্ত হৈছে।

লখিমপুৰত শিঙৰা নৈৰ ঢলে বিভিন্ন অঞ্চল বুৰাই পেলাইছে। ইপিনে, তিনিচুকীয়া জিলাৰ চৈখোৱা অঞ্চলত বানৰ লগতে খহনীয়াৰ সমস্যাই ভাবুকিৰ সৃষ্টি কৰিছে বুলি জানিব পৰা গৈছে। ডিব্ৰুগড় চহৰৰ চৌকিদিঙি, চিৰিংচাপৰি, আমোলাপট্টি, পাঁচ আলি, ফুলবাগান, কালিবাৰী আদি অঞ্চল কৃত্ৰিম বানত বুৰ গৈছে। চহৰখনত তীব্ৰ যান-জঁটৰ ফলত যাতায়তৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। জনসাধাৰণে চহৰখনত দীৰ্ঘম্যাদী পৰিকল্পনাৰে কৃত্ৰিম বান ৰোধৰ ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট বিভাগক আবেদন জনাইছে। ইপিনে, ৰাজ্যৰ ১৯খন জিলাত বতৰ বিজ্ঞান বিভাগে য়েল্ল' এলাৰ্ট জাৰি কৰিছে। বিভাগীয় সূত্ৰই প্ৰকাশ কৰা মতে বজালী, বৰপেটা, বঙাইগাঁও, বাক্সা, চিৰাং, দৰং, ধুবুৰী, কামৰূপ আৰু গোৱালপাৰা জিলাত ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে, উজনি অসমৰো কেইবাখনো  জিলাত য়েল্ল' এলাৰ্ট জাৰি কৰা হৈছে।

oooooooo

বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্ত অঞ্চলৰ দওধাৰা, কামাৰ্দৈছা আৰু ৰান্ধনিপাৰা গাঁৱত বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা কোষৰ পৰা 'Youth for Rural Re-construction' শীৰ্ষক সাতদিনীয়া সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ ভূটান সীমান্তত সংলগ্ন হৈ থকা এই গাঁও তিনিখনত গাঁও অঞ্চলৰ পৰ্যটন, স্বাস্থ্য সেৱা, বড়ো জনজাতিৰ হস্ততাঁত আদিকে ধৰি বিভিন্ন দিশত এই কাৰ্যসূচীত গুৰুত্ব দিয়া হৈছে। অনুষ্ঠানত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰববী অধ্যাপক অৰিন্দম তালুকদাৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

oooooooo

তেজপুৰত ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী আন্তৰ্জাতিক দিৱস পালন কৰা হয়। এই উপলক্ষে তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুদিনীয়া কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে **প্ৰমাণ স্পষ্ট ঃ প্ৰতিৰোধৰ বাবে হাত আগবঢ়াওক**।আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত দেশৰ আগশাৰীৰ কেইবাগৰাকীও মনোৰোগ বিশেষজ্ঞ উপস্থিত থাকে।

০০০০০০০০

দেশৰ বিশিষ্ট সাহিত্যিক অৰুন্ধতী ৰয়লৈ ২০২৪ বৰ্ষৰ **পেন পিণ্টাৰ বঁটা** আগবঢ়োৱা হৈছে। ন'বেল বিজয়ী নাট্যকাৰ হেৰল্ড পিণ্টাৰৰ সোঁৱৰণত প্ৰতি বছৰে ব্ৰিটেইন, আয়াৰলেণ্ড আৰু কমনৱেলথৰ অন্তৰ্ভুক্ত দেশৰ সাহিত্যিকক উজ্বল সাহিত্য কৰ্মৰাজীৰ বাবে এই বঁটা প্ৰদান কৰা হয়। অহা ১০ অক্টোবৰত লণ্ডন ব্ৰিটিছ লাইব্ৰেৰীত অৰুন্ধতী ৰয়ক এই সন্মানীয় বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০০

কাৰিকৰী আঁসোৱাহৰ বাবে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আৱদ্ধ হৈ থকা সুনীতা উইলিয়ামছ আৰু বুট্চ উইলম'ৰৰ পৃথিৱীলৈ ঘূৰি অহাৰ পৰৱৰ্তী দিন ৬ জুলাই ধাৰ্য কৰা হৈছে। ইয়াৰ ফলত পোনতে ৮ দিনৰ বাবে পৰিকল্পনা কৰা এই অভিযান এতিয়া এমাহলৈ চলিব। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি মহাকাশচাৰীদ্বয়ক আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ কঢ়িয়াই লৈ যোৱা ষ্টাৰ লাইনাৰ মহাকাশ যানখনৰ হিলিয়াম প্ৰণালীত আসোঁৱাহ থকা বুলি গম পোৱাৰ পাছতো নাছা আৰু বয়িং কৰ্তৃপক্ষই উৎক্ষেপণ পিছুৱাই দিয়া নাছিল বুলি অভিযোগ উত্থাপিত হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। আজি সন্ধিয়া ৭ বজা পৰ্যন্ত অডিঅ' প্ৰেৰণ কৰিব পাৰিব। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথমটো খণ্ড।

আকাশবাণী-দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটোৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ভাৰতে আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে যোৱানিশা গায়ানাত অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডক ৬৮ ৰানত পৰাস্ত কৰে। বৰ্ষাবিঘ্নিত খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৭১ ৰান কৰে। ভাৰতৰ হৈ অধিনায়ক ৰোহিত শৰ্মাই ৩৯ টা বলত সৰ্বাধিক ৫৭ ৰান কৰাৰ বিপৰীতে সূৰ্যকুমাৰ যাদৱে ৩৬টা বলত ৪৭ আৰু হাৰ্ডিক পাণ্ডিয়াই ১৩ বলত ২৩ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ ক্ৰিছ জৰ্ডানে ৩টা উইকেট দখল কৰে। ৰীচি টোপলে, জোফ্ৰা আৰ্চাৰ, ছেম কুৰেন আৰু আদিল ৰাচিদে এটাকৈ উইকেট অৰ্জন কৰে।

প্ৰত্যুত্তৰত ইংলেণ্ডে ১৬ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইংলেণ্ডৰ হৈ হেৰি ব্ৰুকে ১৯ টা বলত ২৫ ৰান কৰে। ভাৰতৰ কুলদ্বীপ যাদৱ আৰু অক্ষৰ পেটেলে ৩টাকৈ উইকেট দখল কৰে। যশপ্ৰীত বুমৰাহে দুটা উইকেট লাভ কৰে। অক্ষৰ পেটেলক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰত কাইলৈ বাৰবাডোছত হ'বলগীয়া ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে এইবাৰকে ধৰি তৃতীয়বাৰৰ বাবে প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকে সমগ্ৰ শিক্ষা অসমৰ অধীনত নতুনকৈ ৩৫ হাজাৰ শিক্ষকৰ পদ সৃষ্টিত অনুমোদন জনোৱাৰ বাতৰিটো নিয়মীয়া বাৰ্তা, অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত, অসমীয়া খবৰ, দৈনিক জনমভূমি আদিকে ধৰি প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তাৰ শিৰোনাম **চাকৰি প্ৰাৰ্থীক লৈ কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত ঃ সমগ্ৰ শিক্ষাত ৩৫ হাজাৰ নতুন শিক্ষক নিযুক্তি**।

কালি নলবাৰীত অনুষ্ঠিত কেবিনেট বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পৰিবহণ আইন শিথিল কৰি দিয়া বাতৰিটো আমাৰ অসম, দ্যা ছেণ্টিনেল বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দ্যা ছেণ্টিনেলৰ শিৰোনাম **CABINET TAKES KEY DECISION : Protection of witnesses, Fine for two and three wheelers relaxed**।

অসম বিদ্যুৎ নিয়ামক আয়োগ এ প ডি চি এল-এ অহা ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ বিদ্যুৎ মাচুল বৃদ্ধি কৰাৰ বাতৰিটোক দৈনিক অসম কাকতে **পিছ দুৱাৰেদি বৃদ্ধি বিদ্যুৎ মাচুল** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কালি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠক সম্বোধন কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি চৰকাৰে লোৱা দৃষ্টিভংগী সন্দৰ্ভত আলোকপাত কৰা বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে **Govt working to make NE Gateway of Act East Policy : Murmu** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – চাৰি হাজাৰ কোটিৰে ৫০০ চৰকাৰী বিদ্যালয়ৰ নতুন গৃহ নিৰ্মাণ, তিনি ফৌজদাৰী আইনত স্থগিতাদেশ বিচাৰি উচ্চতম ন্যায়ালয়ত আবেদন, নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিল কেলেংকাৰী ঃ দুজনক গ্ৰেপ্তাৰ চি বি আইৰ, উত্তৰ-পূব ভাৰতৰ বিকাশৰ বাবে ১০ বছৰত ৪ গুণ অধিক পুঁজি বিনিয়োগ, বন্দৰ-জাহাজ-জলপথক প্ৰশংসা ৰাষ্ট্ৰপতিৰ, আগষ্ট-ছেপ্তেম্বৰৰ পৰা আৰম্ভ হ'ব পাটবাউসী সত্ৰ প্ৰকল্পৰ কাম, বজাৰত বিক্ৰী হৈছে ৫২ বিধ নিম্নমানৰ নিত্য প্ৰয়োজনীয় ঔষধ, বৰক্ষেত্ৰীৰ ব্ৰহ্মপুত্ৰৰ খহনীয়া স্থান পৰিদৰ্শন জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**